**Signature and Name of Invigilator**

1. (Signature) ____________________

   (Name) ____________________

2. (Signature) ____________________

   (Name) ____________________

**OMR Sheet No. :** ....................................................

(To be filled by the Candidate)

**Roll No.** | | | | | | | | |

(In figures as per admission card)

**Roll No.** ____________________

(In words)

**N 0 3 6 1 7**

# PAPER - III
# ASSAMESE

**Time : 2½ hours]** **[Maximum Marks : 150**

Number of Pages in this Booklet : **24** Number of Questions in this Booklet : **75**

## Instructions for the Candidates

1. Write your roll number in the space provided on the top of this page.
2. This paper consists of seventy five multiple-choice type of questions.
3. At the commencement of examination, the question booklet will be given to you. In the first 5 minutes, you are requested to open the booklet and compulsorily examine it as below :
   (i) To have access to the Question Booklet, tear off the paper seal on the edge of this cover page. Do not accept a booklet without sticker-seal and do not accept an open booklet.
   (ii) **Tally the number of pages and number of questions in the booklet with the information printed on the cover page. Faulty booklets due to pages/questions missing or duplicate or not in serial order or any other discrepancy should be got replaced immediately by a correct booklet from the invigilator within the period of 5 minutes. Afterwards, neither the Question Booklet will be replaced nor any extra time will be given.**
   (iii) After this verification is over, the Test Booklet Number should be entered on the OMR Sheet and the OMR Sheet Number should be entered on this Test Booklet.
4. Each item has four alternative responses marked (1), (2), (3) and (4). You have to darken the circle as indicated below on the correct response against each item.

   **Example :** ① ② ● ④ where (3) is the correct response.
5. Your responses to the items are to be indicated in the **OMR Sheet given inside the Booklet only.** If you mark your response at any place other than in the circle in the OMR Sheet, it will not be evaluated.
6. Read instructions given inside carefully.
7. Rough Work is to be done in the end of this booklet.
8. If you write your Name, Roll Number, Phone Number or put any mark on any part of the OMR Sheet, except for the space allotted for the relevant entries, which may disclose your identity, or use abusive language or employ any other unfair means, such as change of response by scratching or using white fluid, you will render yourself liable to disqualification.
9. You have to return the original OMR Sheet to the invigilators at the end of the examination compulsorily and must not carry it with you outside the Examination Hall. You are however, allowed to carry original question booklet and duplicate copy of OMR Sheet on conclusion of examination.
10. **Use only Blue/Black Ball point pen.**
11. **Use of any calculator or log table etc., is prohibited.**
12. **There are no negative marks for incorrect answers.**

## परीक्षार्थियों के लिए निर्देश

1. इस पृष्ठ के ऊपर नियत स्थान पर अपना रोल नम्बर लिखिए।
2. इस प्रश्न-पत्र में पचहत्तर बहुविकल्पीय प्रश्न हैं।
3. परीक्षा प्रारम्भ होने पर, प्रश्न-पुस्तिका आपको दे दी जायेगी। पहले पाँच मिनट आपको प्रश्न-पुस्तिका खोलने तथा उसकी निम्नलिखित जाँच के लिए दिये जायेंगे, जिसकी जाँच आपको अवश्य करनी है :
   (i) प्रश्न-पुस्तिका खोलने के लिए पुस्तिका पर लगी कागज की सील को फाड़ लें। खुली हुई या बिना स्टीकर-सील की पुस्तिका स्वीकार न करें।
   (ii) **कवर पृष्ठ पर छपे निर्देशानुसार प्रश्न-पुस्तिका के पृष्ठ तथा प्रश्नों की संख्या को अच्छी तरह चैक कर लें कि ये पूरे हैं। दोषपूर्ण पुस्तिका जिनमें पृष्ठ/प्रश्न कम हों या दुबारा आ गये हों या सीरियल में न हों अर्थात् किसी भी प्रकार की त्रुटिपूर्ण पुस्तिका स्वीकार न करें तथा उसी समय उसे लौटाकर उसके स्थान पर दूसरी सही प्रश्न-पुस्तिका ले लें। इसके लिए आपको पाँच मिनट दिये जायेंगे। उसके बाद न तो आपकी प्रश्न-पुस्तिका वापस ली जायेगी और न ही आपको अतिरिक्त समय दिया जायेगा।**
   (iii) इस जाँच के बाद प्रश्न-पुस्तिका का नंबर OMR पत्रक पर अंकित करें और OMR पत्रक का नंबर इस प्रश्न-पुस्तिका पर अंकित कर दें।
4. प्रत्येक प्रश्न के लिए चार उत्तर विकल्प (1), (2), (3) तथा (4) दिये गये हैं। आपको सही उत्तर के वृत्त को पेन से भरकर काला करना है जैसा कि नीचे दिखाया गया है।

   **उदाहरण :** ① ② ● ④ जबकि (3) सही उत्तर है।
5. प्रश्नों के उत्तर **केवल प्रश्न पुस्तिका के अन्दर दिये गये OMR पत्रक पर ही** अंकित करने हैं। यदि आप OMR पत्रक पर दिये गये वृत्त के अलावा किसी अन्य स्थान पर उत्तर चिह्नांकित करते हैं, तो उसका मूल्यांकन नहीं होगा।
6. अन्दर दिये गये निर्देशों को ध्यानपूर्वक पढ़ें।
7. कच्चा काम (Rough Work) इस पुस्तिका के अन्तिम पृष्ठ पर करें।
8. यदि आप OMR पत्रक पर नियत स्थान के अलावा अपना नाम, रोल नम्बर, फोन नम्बर या कोई भी ऐसा चिह्न जिससे आपकी पहचान हो सके, अंकित करते हैं अथवा अभद्र भाषा का प्रयोग करते हैं, या कोई अन्य अनुचित साधन का प्रयोग करते हैं, जैसे कि अंकित किये गये उत्तर को मिटाना या सफेद स्याही से बदलना तो परीक्षा के लिये अयोग्य घोषित किये जा सकते हैं।
9. आपको परीक्षा समाप्त होने पर मूल OMR पत्रक निरीक्षक महोदय को लौटाना आवश्यक है और परीक्षा समाप्ति के बाद उसे अपने साथ परीक्षा भवन से बाहर न लेकर जायें। हालांकि आप परीक्षा समाप्ति पर मूल प्रश्न-पुस्तिका तथा OMR पत्रक की डुप्लीकेट प्रति अपने साथ ले जा सकते हैं।
10. **केवल नीले/काले बाल प्वाईंट पेन का ही प्रयोग करें।**
11. **किसी भी प्रकार का संगणक (कैलकुलेटर) या लाग टेबल आदि का प्रयोग वर्जित है।**
12. **गलत उत्तरों के लिए कोई नकारात्मक अंक नहीं हैं।**



www.examrace.com

## ASSAMESE

## অসমীয়া

## Paper – III

## প্ৰশ্নকাকত – III

**Note :** This paper contains **seventy five (75)** objective type questions, each question carrying **two (2)** marks. Attempt **all** of them.

**টোকা :** এই প্ৰশ্নকাকতত **পয়সত্তৰ (75)** টা বহুবিকল্পীয় প্ৰশ্ন আছে। প্ৰতিটো প্ৰশ্নৰ মূল্যাংক **দুই (2)**। **সকলো** প্ৰশ্ন বাধ্যতামূলক।

তলৰ **1** ৰ পৰা **20** নং প্ৰশ্নলৈকে **চাৰিটা** বিকল্প উত্তৰ দিয়া আছে। **শুদ্ধ** উত্তৰটো বাছি উলিওৱা।

1. বৈদিক সাহিত্যৰ স্তৰ হৈছে

   (1) পাঁচোটা (2) তিনিটা (3) চাৰিটা (4) দুটা

2. ''অসমীয়াৰ লগত বঙলাতকৈ ওড়িয়াৰহে অধিক সাদৃশ্য আৰু উত্তৰবঙ্গ আৰু অসমে তেওঁলোকৰ ভাষা পোনে পোনে মাগধী অপভ্ৰংশৰ পৰাই পাইছে।'' এই মন্তব্যৰ বক্তা কোন?

   (1) বাণীকান্ত কাকতি (2) গ্ৰিয়াৰ্ছন

   (3) বিৰিঞ্চি কুমাৰ বৰুৱা (4) গোলোকচন্দ্ৰ গোস্বামী

3. বিষম ৰূপকল্পত বিন্যস্ত অসমান দৈৰ্ঘ্যৰ চৰণত বিধৃত ছন্দসজ্জাই হৈছে

   (1) অমিতাক্ষৰ (2) মুক্তক (3) পয়াৰ (4) স্পন্দিত গদ্য

4. তুলনামূলক সাহিত্যই প্ৰাসংগিকভাৱে তলৰ কোনটো বিষয় সামৰি নলয়

   (1) পাঠক সঁহাৰি (2) প্ৰসঙ্গ সূত্ৰ (3) লেখক সঁহাৰি (4) আন্তঃপাঠগততা

5. "Poetry is metrical composition" কবিতা সম্পৰ্কে দিয়া উক্ত সংজ্ঞাটি কাৰ ?

   (1) মেথিউ আৰ্নল্ড (2) ক'লৰিজ (3) জনচন (4) ৱৰ্ডচৱৰ্থ



www.examrace.com

6. কোনো নৃগোষ্ঠী বা জনগোষ্ঠীৰ সৃষ্টিতত্ত্ব আৰু অলৌকিক পৰম্পৰা, তেওঁলোকৰ বিশ্বাসত স্থান পোৱা দেৱ-দেৱী আৰু বীৰপুৰুষৰ কাৰ্যাৱলী তথা সেই নৃগোষ্ঠীৰ লক্ষণ, ধৰ্মীয় বিশ্বাস আদিক উপজীব্য স্বৰূপে গ্ৰহণ কৰি ৰচনা কৰা আখ্যান হৈছে

(1) জনশ্ৰুতি (2) সাধুকথা (3) নৈদানিক সাধুকথা (4) পুৰাকথা

7. 'ৰমন্যাসবাদ' শব্দটো তলৰ কোনজন সমালোচকে প্ৰথম ব্যৱহাৰ কৰিছিল ?

(1) ত্ৰৈলোক্যনাথ গোস্বামী (2) বীৰেন বৰকটকী

(3) বসন্ত কুমাৰ শৰ্মা (4) মহেন্দ্ৰ বৰা

8. তলৰ কোনখন কাব্যগ্ৰন্থ সমীৰ তাঁতীৰ দ্বাৰা ৰচিত নহয়?

(1) বাৰীকোঁৱৰ (2) যুদ্ধভূমিৰ কবিতা

(3) শোকাকুল উপত্যকা (4) কায়কল্পৰ বেলা

9. তলত তিনিখন উপন্যাস আৰু এটা চুটিগল্পৰ নাম দিয়া আছে। তাৰ মাজৰ পৰা চুটিগল্পটো চিনাক্ত কৰা।

(1) অন্য জীৱন (2) সাপৰ ছালৰ জোতা (3) উদয়ভানুৰ চৰিত্ৰ (4) স্বৰ্ণলতা

10. ''অসমীয়া ভাষাক মৃত সঞ্জীৱনীৰে নতুন জীৱন দিলে, আধুনিক সাহিত্য সৃষ্টিৰ বাবে অসমীয়া ভাষাৰ পথাৰত নাঙল চোঁচৰালে'' -- কোনে অৰুণোদই যুগৰ বিষয়ে এই মন্তব্য কৰিছিল ?

(1) ডিম্বেশ্বৰ নেওগ (2) সত্যেন্দ্ৰনাথ শৰ্মা (3) মহেশ্বৰ নেওগ (4) লক্ষ্মীনাথ বেজবৰুৱা

11. নাটকক Imitation of action in the form of action বুলি কোনে কৈছিল?

(1) এৰিষ্ট'টল (2) নিকল

(3) হেনৰী আৰ্থাৰ জোন্‌ছ্ (4) হাডচন

12. মহিমাময়তা (Sublimity) সম্পৰ্কীয় ধাৰণাক সাহিত্যৰ সৈতে সম্পৰ্কিত কৰা তাত্ত্বিকগৰাকী হৈছে

(1) হোৰেছ (2) প্লটিনাছ (3) ছেইণ্ট অগষ্টিন (4) লন্‌জাইনাচ



www.examrace.com

13. ‘নেজালতৰা’ -- এই শব্দটোৰ গঠন প্ৰক্ৰিয়াটো হ’ল

(1) মুক্ত + বদ্ধ + মুক্ত
(2) মুক্ত + বদ্ধ
(3) মুক্ত + মুক্ত + বদ্ধ
(4) মুক্ত + মুক্ত

14. সংস্কৃতৰ তালব্য স্পৰ্শ ব্যঞ্জন ধ্বনিসমূহ অসমীয়াত কি ৰূপে উচ্চাৰিত হয় ?

(1) দন্তমূলীয় (2) দন্তমূলীয় উষ্ম (3) তালব্য ঘৃষ্ট (4) দন্তমূলীয় তালব্য

15. মেজাংকৰী হ’ল এবিধ

(1) অলংকাৰ (2) বস্ত্ৰ (3) খাদ্য (4) ৰং

16. তলৰ কোনটো উৎসৱ অসমৰ সত্ৰ-সমাজৰ লগত সম্পৰ্কিত?

(1) শীতলা পূজা (2) টুচু পৰৱ (3) ভঠেলি উৎসৱ (4) পঁচতি উৎসৱ

17. ‘গুণমালা’ পুথিখনত ব্যৱহৃত ছন্দৰ নাম

(1) কুসুমমালা (2) হংসমালা (3) পাঞ্চালী (4) ঝমক

18. ‘ৰামপদ কিংকৰ’ বুলি নিজৰ বিষয়ে বৰ্ণনা কৰা কবিজন হৈছে

(1) অনন্ত কন্দলি (2) দুৰ্গাবৰ কায়স্থ (3) ৰঘুনাথ মহন্ত (4) মাধৱ কন্দলি

19. উপমেয়ক উপমানৰ দৰে একে (অভেদ) বুলি ধৰি লোৱাৰ ফলত সিদ্ধ হোৱা অলংকাৰবিধ হৈছে

(1) ব্যতিৰেক (2) ভ্ৰান্তিমান (3) উৎপ্ৰেক্ষা (4) উপমা

20. তলৰ কোনজন লেখক বিজ্ঞান সাহিত্যৰ লেখক নহয়?

(1) বসন্ত ডেকা
(2) কিশোৰীমোহন পাঠক
(3) নৰকান্ত বৰুৱা
(4) ডিম্বেশ্বৰ চলিহা



www.examrace.com

তলৰ **21** ৰ পৰা **30** নং প্ৰশ্নলৈকে প্ৰতিটো প্ৰশ্নৰ লগত **চাৰিটাকৈ** বিকল্প দিয়া আছে। এই বিকল্পসমূহৰ মাজত দুটা বা ততোধিক **শুদ্ধ** বিকল্প আছে। **শুদ্ধ** বিকল্পৰ থূলটো বিচাৰি উলিওৱা।

**21.** 'অসম উপত্যকা সাহিত্য বঁটা' প্ৰাপক লেখকৰ থূল

(a) উমাকান্ত শৰ্মা
(b) হিতেশ ডেকা
(c) মহিম বৰা
(d) যোগেন্দ্ৰ নাৰায়ণ ভূঞা

(1) (a), (d)
(2) (a), (b), (c)
(3) (a), (b), (d)
(4) (a), (c)

**22.** দ্বিপাৰ্বিক ছন্দসজ্জাৰ থূল

(a) কুসুমমালা
(b) একাৱলী
(c) দুলড়ী
(d) ছবি

(1) (b), (c), (d)
(2) (a), (b)
(3) (a), (d)
(4) (a), (b), (c)

**23.** গোলোকচন্দ্ৰ গোস্বামীয়ে প্ৰণয়ন কৰা ব্যাকৰণ পুথিৰ থূল

(a) অসমীয়া ব্যাকৰণ প্ৰবেশ
(b) অসমীয়া ব্যাকৰণ ৰূপৰেখা
(c) অসমীয়া ভাষাৰ ব্যাকৰণ
(d) অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ

(1) (a), (d)
(2) (a), (c)
(3) (b), (d)
(4) (b), (c)

**24.** একেধাৰে ভাষাবিদ আৰু সংস্কৃতিবিদৰ থূল

(a) দেৱানন্দ ভৰালী
(b) বিৰিঞ্চি কুমাৰ বৰুৱা
(c) বাণীকান্ত কাকতি
(d) সত্যনাথ বৰা

(1) (b), (c)
(2) (a), (c)
(3) (b), (d)
(4) (c), (d)



www.examrace.com

25. ভূপেন হাজৰিকাই সম্পাদনা কৰা আলোচনীৰ থূল

(a) কামৰূপা (b) ৰংঘৰ

(c) শিল্পীৰ পৃথিৱী (d) আমাৰ প্ৰতিনিধি

(1) (a), (d) (2) (b), (a) (3) (b), (c) (4) (c), (d)

26. কৃৎ-প্ৰত্যয়যুক্ত শব্দৰ থূল

(a) ৰান্ধনি (b) ৰূপোৱালী

(c) মগনিয়াৰ (d) লাজকুৰীয়া

(1) (b), (c) (2) (a), (c) (3) (a), (d) (4) (c), (d)

27. নৱকান্ত বৰুৱাৰ কবিতাৰ থূল

(a) হে’ পৃথিৱী অন্তৰতমা (b) এই নদীয়েদি

(c) এটি দুটি এঘাৰটি তৰা (d) হে’ অৰণ্য হে’ মহানগৰ

(1) (a), (b) (2) (b), (c) (3) (c), (d) (4) (b), (d)

28. চল্লিশৰ দশকৰ অসমীয়া কথাছবিৰ থূল

(a) চিৰাজ (b) ৰামধেনু

(c) বদন বৰফুকন (d) অস্তৰাগ

(1) (a), (b) (2) (a), (c) (3) (b), (c) (4) (b), (d)

29. অসমীয়া চুটিগল্পকাৰৰ থূল

(a) নগেন্দ্ৰনাৰায়ণ চৌধুৰী (b) লক্ষ্মীনাথ ফুকন

(c) নীলমণি ফুকন (d) ৰমাকান্ত চৌধুৰী

(1) (a), (b) (2) (b), (c) (3) (a), (d) (4) (b), (d)



www.examrace.com

**30.** তিৱা জনগোষ্ঠীয়ে পালন কৰা উৎসৱৰ থূল

(a) বৰত (b) ৱানগালা

(c) ছগ্ৰামিছাৱা (d) খেৰায়

(1) (a), (d) (2) (b), (c) (3) (b), (d) (4) (a), (c)

তলৰ **31** ৰ পৰা **35** লৈ দিয়া প্ৰতিটো মন্তব্য যুক্তিৰে বিশ্লেষণ কৰি অথবা কাৰ্যকাৰণ নিৰ্ণয় কৰি (1), (2), (3) আৰু (4) বিকল্পৰ মাজৰ পৰা **শুদ্ধ** উত্তৰটো বাছি উলিওৱা

**31.** এৰিষ্ট'টলৰ মতে 'Art imitates nature' অৰ্থাৎ কলাই প্ৰকৃতিৰ অনুকৃতি সাজে। কাৰণ

(1) সকলো কলাৰ পৰাই অনুকৃতি সাজে আৰু প্ৰকৃতিত এনে কথাই স্থান পায়।

(2) কলাই মানৱ-প্ৰকৃতিৰ এক প্ৰতিমা সৃষ্টি কৰে।

(3) কলাই প্ৰকৃতিক সজাই পৰাই তুলি অধিক উপভোগ্য আৰু বোধগম্য কৰি তোলে।

(4) শিল্পকলাক কলাই এক নান্দনিক ৰূপত গঢ়ি তোলে।

**32.** অনাবৃষ্টিৰ বতৰত বৰষুণ বিচাৰি অসমীয়া মানুহে ভেকুলী বিয়া পাতে। কাৰণ

(1) কৃষিজীৱী অসমীয়া মানুহে ইন্দ্ৰ আৰু ভেকুলীৰ মাজত বন্ধুত্ব আছে বুলি বিশ্বাস কৰে।

(2) ভেকুলীৰ টোৰটোৰণি আৰু বৰষুণৰ লগত সম্পৰ্ক থকা বুলি এক লোকবিশ্বাস জড়িত হৈ আছে।

(3) ভেকুলী বিয়া পাতিলে ভেকুলীয়ে টোৰটোৰায়, তেতিয়া বৰষুণ দিয়ে।

(4) ৰং আনন্দ উলাহেৰে ভেকুলী বিয়া পাতিলে বৰষুণ দিয়ে।

**33.** অনিশ্চয়তাবাদৰ ধাৰণাৰ পৰাই আধুনিকতাবাদৰ অন্তৰ্গত প্ৰতীকবাদ আৰু চিত্ৰকল্পবাদৰ জন্ম হৈছে। কাৰণ

(1) অনিশ্চয়তা আৰু অনিৰ্ণেয়তাৰ ধাৰণাই আধুনিকতাবাদী সাহিত্যৰ কেন্দ্ৰীয় ধাৰণা।

(2) অনিশ্চয়তাবাদেই আধুনিকতাবাদ আৰু আধুনিকতাবাদ প্ৰতীক আৰু চিত্ৰকল্পৰ সমাহাৰ।

(3) প্ৰতীকবাদ আৰু চিত্ৰকল্পবাদ জীৱনৰ অনিশ্চয়তা প্ৰকাশৰ এক শক্তিশালী আহিলা।

(4) আধুনিকতাবাদ মানেই প্ৰতীক আৰু চিত্ৰকল্পৰ সমাহাৰ।



www.examrace.com

**34.** গঠনবাদে নিজকে মানৱজাতিৰ বিজ্ঞান হিচাপে বিবেচনা কৰে। কাৰণ

(1) মানৱ বিজ্ঞানৰ অন্তৰ্গত চিন্তা, কৰ্মক গঠনবাদে উন্মুক্ত কৰে।

(2) গঠনবাদে মানৱ বিজ্ঞান, মানুহৰ চিন্তা, কৰ্ম আদিক সামৰি লয়।

(3) গঠনবাদে মানুহে কৰা কৰ্ম, চিন্তা আৰু অনুভূতিৰ আঁৰত থকা গঠনটো উন্মুক্ত কৰে।

(4) গঠনবাদে মানুহৰ চিন্তা-অনুভূতিৰ গঠনক একগোট কৰে।

**35.** অসমীয়া ভাষাৰ বচনবাচক সৰ্গবোৰ বিভক্তি মূলকহে, শব্দসাধনমূলক নহয়। কাৰণ

(1) নামশব্দৰ লগত বচনবাচক সৰ্গবোৰ যোগ হ'লে শব্দৰ শ্ৰেণী পৰিৱৰ্তন নঘটে।

(2) নামশব্দৰ লগত বচনবাচক সৰ্গবোৰ যোগ হ'লে নতুন শব্দ সাধন হয়।

(3) নামশব্দৰ লগত যোগ হোৱা বচনবাচক সৰ্গবোৰে বিভক্তিৰ দৰে কাম কৰে।

(4) নামশব্দৰ লগত বচনবাচক সৰ্গ যোগ হ'লে শব্দৰ ৰূপান্তৰ ঘটায়।

তলৰ **36** ৰ পৰা **40** লৈ দিয়া প্ৰতিটো **উক্তি (Assertion)** আৰু **যুক্তি (Reason)** হিচাপে উল্লেখ কৰা বিবৃতি দুটাৰ বিষয়ে যুগুতোৱা (1), (2), (3), (4) ৰ পৰা **শুদ্ধ** উত্তৰটো নিৰ্ণয় কৰা।

**36.** **উক্তি** : সংস্কৃতিৰ প্ৰধান অৱলম্বন হৈছে অৰ্থনীতি।

**যুক্তি** : অৰ্থনীতিয়ে মানুহৰ সকলো কথা নিয়ন্ত্ৰণ কৰে। সংস্কৃতিও ইয়াৰ ব্যতিক্ৰম নহয়।

(1) **উক্তি** শুদ্ধ; **যুক্তি** শুদ্ধ
(2) **উক্তি** শুদ্ধ; **যুক্তি** অশুদ্ধ
(3) **উক্তি** অশুদ্ধ; **যুক্তি** শুদ্ধ
(4) **উক্তি** অশুদ্ধ; **যুক্তি** অশুদ্ধ

**37.** **উক্তি** : জিভাৰ আগেৰে দাঁতৰ আলুত স্পৰ্শ কৰি হাওঁফাওৰ পৰা ওলোৱা বহিৰ্গামী বায়ুপ্ৰৱাহৰ পথ ৰোধ কৰি আৰু নাকেৰে বায়ুপ্ৰৱাহ উলিয়াই দি ধ্বনি উচ্চাৰণ কৰা হয়।

**যুক্তি** : উক্ত নিয়মেৰে অসমীয়া ভাষাত দন্তমূলীয় উষ্মধ্বনিসমূহ উচ্চাৰণ কৰা হয়।

(1) **উক্তি** শুদ্ধ; **যুক্তি** শুদ্ধ
(2) **উক্তি** অশুদ্ধ; **যুক্তি** অশুদ্ধ
(3) **উক্তি** অশুদ্ধ; **যুক্তি** শুদ্ধ
(4) **উক্তি** শুদ্ধ; **যুক্তি** অশুদ্ধ


www.examrace.com

38. **উক্তি** : ঘৰচীয়া, ফুলাম, আগতীয়া, মৰমিয়াল আদি শব্দৰ গঠনক সমবৰ্গীয় শব্দগঠন প্ৰক্ৰিয়াৰ ভিতৰত ধৰা হৈছে।

**যুক্তি** : উক্ত শব্দকেইটাৰ গঠনত শব্দৰ লগত কৃৎপ্ৰত্যয়ৰ সংযোগ ঘটিছে।

(1) **উক্তি** শুদ্ধ; **যুক্তি** অশুদ্ধ
(2) **উক্তি** অশুদ্ধ; **যুক্তি** অশুদ্ধ
(3) **উক্তি** অশুদ্ধ; **যুক্তি** শুদ্ধ
(4) **উক্তি** শুদ্ধ; **যুক্তি** শুদ্ধ

39. **উক্তি** : জীৱনৰ ঐক্যবদ্ধৰ উপলব্ধি কবিৰ দৰে বৈজ্ঞানিক আৰু দাৰ্শনিকৰো আছে।

**যুক্তি** : কবি, দাৰ্শনিক আৰু বৈজ্ঞানিক তিনিওৱে সত্যোপলব্ধিৰ বাবে জ্ঞান-চৰ্চা কৰে।

(1) **উক্তি** অশুদ্ধ; **যুক্তি** অশুদ্ধ
(2) **উক্তি** শুদ্ধ; **যুক্তি** অশুদ্ধ
(3) **উক্তি** শুদ্ধ; **যুক্তি** শুদ্ধ
(4) **উক্তি** অশুদ্ধ; **যুক্তি** শুদ্ধ

40. **উক্তি** : উত্তৰ-পূৰ্বাঞ্চলক সংস্কৃতিৰ যাদুঘৰ বুলি কোৱা হয়।

**যুক্তি** : উত্তৰ-পূৰ্বাঞ্চলত যাদুঘৰৰ সংখ্যা বেছি।

(1) **উক্তি** শুদ্ধ; **যুক্তি** শুদ্ধ
(2) **উক্তি** শুদ্ধ; **যুক্তি** অশুদ্ধ
(3) **উক্তি** অশুদ্ধ; **যুক্তি** শুদ্ধ
(4) **উক্তি** অশুদ্ধ; **যুক্তি** অশুদ্ধ

তলৰ **41** ৰ পৰা **55** লৈ দিয়া বিষয়সমূহ লগত দিয়া নিৰ্দেশনাৰ আধাৰত একাদিক্ৰমে সজাই (1), (2), (3), (4) গোটৰ পৰা **শুদ্ধ** ক্ৰমটো নিৰ্ণয় কৰা।

41. জ্যেষ্ঠতাৰ আধাৰত সজোৱা

(a) গ্লিছন
(b) ফাৰ্ডিনাণ্ড দ্য ছছ্যুৰ
(c) এডৱাৰ্ড ছাপিৰ
(d) লিওনাৰ্ড ব্লুমফিল্ড

(1) (a), (b), (d), (c) (2) (b), (a), (c), (d) (3) (d), (a), (b), (c) (4) (b), (c), (d), (a)



www.examrace.com

**42.** জ্যেষ্ঠতাৰ আধাৰত সজোৱা

(a) জি. এ. গ্ৰীয়াৰ্ছন
(b) সুনীতি কুমাৰ চেটাৰ্জী
(c) সুকুমাৰ সেন
(d) বাণীকান্ত কাকতি

(1) (a), (c), (b), (d) (2) (d), (a), (b), (c) (3) (a), (b), (d), (c) (4) (c), (a), (b), (d)

**43.** প্ৰথম প্ৰকাশৰ বৰ্ষৰ আধাৰত সজোৱা

(a) অসমীয়া ব্যৱহাৰিক অভিধান
(b) অসমীয়া শব্দকোষ
(c) শৰাইঘাট অভিধান
(d) অসমীয়া জাতীয় অভিধান

(1) (b), (a), (d), (c) (2) (c), (d), (a), (b) (3) (a), (b), (c), (d) (4) (c), (b), (d), (a)

**44.** সংঘটন কালৰ আধাৰত সজোৱা

(a) মায়ামৰা বিদ্ৰোহ
(b) চিপাহী বিদ্ৰোহ
(c) পলাচীৰ যুদ্ধ
(d) ইয়াণ্ডাবু সন্ধি

(1) (c), (b), (a), (d) (2) (c), (a), (d) , (b) (3) (d), (a), (b), (c) (4) (b), (c), (d), (a)

**45.** প্ৰতিষ্ঠাকালৰ আধাৰত সজোৱা

(a) অসম ছাত্ৰ সন্মিলনী
(b) অসমীয়া ভাষা উন্নতি সাধিনী সভা
(c) কহিমা সাহিত্য সভা
(d) অসম সাহিত্য সভা

(1) (c), (a), (b), (d) (2) (d), (b), (a), (c) (3) (b), (a), (c), (d) (4) (b), (c), (a), (d)



www.examrace.com

**46.** কালানুক্ৰমিকভাৱে সজোৱা

(a) গড়গঞা লিপি (b) উমাচল লিপি

(c) গুপ্ত লিপি (d) কানাই বৰশীবোৱা শিলালিপি

(1) (c), (b), (d), (a) (2) (a), (d), (b), (c) (3) (c), (a), (b), (d) (4) (a), (b), (c), (d)

**47.** মৃত্যুৰ চন অনুসৰি সজোৱা

(a) পদ্মনাথ গোহাঞিবৰুৱা (b) জ্যোতিপ্ৰসাদ আগৰৱালা

(c) লক্ষ্মীনাথ বেজবৰুৱা (d) বিষ্ণুপ্ৰসাদ ৰাভা

(1) (c), (a), (b), (d) (2) (a), (c), (d), (b) (3) (c), (b), (a), (d) (4) (b), (a), (d), (c)

**48.** জ্যেষ্ঠতাৰ আধাৰত সজোৱা

(a) হেমাঙ্গ বিশ্বাস (b) কেশৱ মহন্ত

(c) হীৰেন ভট্টাচাৰ্য (d) হেম বৰুৱা

(1) (d), (b), (a), (c) (2) (b), (d), (c), (a) (3) (a), (d), (b), (c) (4) (d), (a), (b), (c)

**49.** প্ৰথম প্ৰকাশৰ বৰ্ষৰ আধাৰত সজোৱা

(a) অসমীয়া গোলোক ব্যাকৰণ (b) অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব

(c) অসমীয়া ব্যাকৰণ জ্যোতি (d) অসমীয়া ব্যাকৰণ প্ৰবেশ

(1) (a), (c), (d), (b) (2) (b), (a), (c), (d) (3) (b), (d), (c), (a) (4) (c), (d), (a), (b)

**50.** প্ৰথম প্ৰকাশৰ বৰ্ষৰ আধাৰত সজোৱা

(a) দৈনিক বাতৰি (b) সাদিনীয়া বাতৰি

(c) ঘৰজেউতি (d) অসমীয়া

(1) (a), (b), (c), (d) (2) (d), (b), (c), (a) (3) (d), (c), (b), (a) (4) (b), (a), (d), (c)



www.examrace.com

51. প্ৰথম প্ৰকাশৰ বৰ্ষৰ আধাৰত সজোৱা

(a) সাধনা (b) ভানুমতী

(c) সুধৰ্মাৰ উপাখ্যান (d) মনোমতী

(1) (c), (b), (d), (a) (2) (a), (d), (c), (b) (3) (c), (b), (a), (d) (4) (d), (a), (b), (c)

52. প্ৰথম গ্ৰন্থ আকাৰে প্ৰকাশৰ কাল অনুসৰি সজোৱা

(a) সদৰামিনৰ আত্মজীৱনী (b) মোৰ জীৱন সোঁৱৰণ

(c) এৰি অহা দিনবোৰ (d) জীৱনৰ দীঘ আৰু বাণি

(1) (a), (b), (d), (c) (2) (b), (a), (c), (d) (3) (b), (d), (a), (c) (4) (a), (d), (c), (b)

53. প্ৰথম প্ৰকাশৰ বছৰ অনুসৰি সজোৱা

(a) মৃণাল মাহী (b) কাৰেঙৰ লিগিৰী

(c) নিমিলা অংক (d) মগৰীবৰ আজান

(1) (b), (c), (d), (a) (2) (b), (d), (c), (a) (3) (a), (d), (b), (c) (4) (d), (a), (c), (b)

54. কালানুক্ৰমিকভাৱে সজোৱা

(a) চৰিত সাহিত্য (b) ডাকৰ বচন

(c) ব্যৱহাৰিক জ্ঞানৰ সাহিত্য (d) পাঁচালী সাহিত্য

(1) (b), (c), (a), (d) (2) (a), (d), (b), (c) (3) (a), (c), (d), (b) (4) (b), (d), (a), (c)

55. অসমলৈ প্ৰব্ৰজনৰ কাল অনুসৰি একাদিক্ৰমে সজোৱা

(a) চাহ্ জনগোষ্ঠী (b) আইতন

(c) বড়ো (d) আহোম

(1) (c), (a), (b), (d) (2) (a), (c), (d), (b) (3) (c), (d), (b), (a) (4) (b), (c), (d), (a)



www.examrace.com

তলৰ **56** ৰ পৰা **70** লৈ দিয়া প্ৰশ্নসমূহৰ **'ক' স্তম্ভত** দিয়া বিষয়ৰ লগত থকা **'খ' স্তম্ভত** দিয়া বিষয়সমূহ মিলাই (1), (2), (3), (4) এই **চাৰিটা** বিকল্প দেখুওৱা হৈছে। তাৰে পৰা **শুদ্ধ** বিকল্পটো চিহ্নিত কৰা।

**56.** **'ক' স্তম্ভ** **'খ' স্তম্ভ**

| | 'ক' স্তম্ভ | | 'খ' স্তম্ভ |
|---|---|---|---|
| (a) | গুমৰাগ | (i) | হাজং |
| (b) | লেৰাটানা | (ii) | খাছী |
| (c) | হানাঘোঁৰা | (iii) | মিছিং |
| (d) | নংক্ৰেম | (iv) | ৰাভা |

| | **(a)** | **(b)** | **(c)** | **(d)** |
|---|---|---|---|---|
| (1) | (iii) | (i) | (iv) | (ii) |
| (2) | (iii) | (ii) | (iv) | (i) |
| (3) | (i) | (ii) | (iv) | (iii) |
| (4) | (ii) | (i) | (iv) | (iii) |

**57.** **'ক' স্তম্ভ** **'খ' স্তম্ভ**

| | 'ক' স্তম্ভ | | 'খ' স্তম্ভ |
|---|---|---|---|
| (a) | ৰামনৱমী | (i) | 1890 |
| (b) | ভানুমতী | (ii) | 1889 |
| (c) | সেউতী | (iii) | 1857 |
| (d) | বনকুঁৱৰী | (iv) | 1892 |

| | **(a)** | **(b)** | **(c)** | **(d)** |
|---|---|---|---|---|
| (1) | (i) | (ii) | (iv) | (iii) |
| (2) | (iii) | (i) | (iv) | (ii) |
| (3) | (iii) | (ii) | (i) | (iv) |
| (4) | (ii) | (i) | (iv) | (iii) |



www.examrace.com

58. **'ক' স্তম্ভ** **'খ' স্তম্ভ**

| | | | |
|---|---|---|---|
| (a) | বানপ্রস্থ | (i) | অগ্নিস্নান |
| (b) | অনির্বান | (ii) | কোলাহল |
| (c) | এন্দুৰ | (iii) | প্ৰহৰী |
| (d) | অন্তৰীপ | (iv) | সন্ধ্যাৰাগ |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (1) | (i) | (iv) | (ii) | (iii) |
| (2) | (iv) | (iii) | (ii) | (i) |
| (3) | (iv) | (ii) | (iii) | (i) |
| (4) | (i) | (iv) | (iii) | (ii) |

59. **'ক' স্তম্ভ** **'খ' স্তম্ভ**

| | | | |
|---|---|---|---|
| (a) | প্ৰান্তিক | (i) | মিহিৰ দেউৰী |
| (b) | সাতসৰী | (ii) | লক্ষ্মীনন্দন বৰা |
| (c) | গৰীয়সী | (iii) | অনুৰাধা শৰ্মা পূজাৰী |
| (d) | প্ৰকাশ | (iv) | প্ৰদীপ বৰুৱা |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (1) | (iv) | (i) | (ii) | (iii) |
| (2) | (i) | (ii) | (iv) | (iii) |
| (3) | (iv) | (iii) | (ii) | (i) |
| (4) | (iii) | (ii) | (iv) | (i) |



www.examrace.com

60. ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

| | | | |
|---|---|---|---|
| (a) | একেখানে আছে সাপে নেউল ছাগে বাঘে।<br>মূষুকে চাচাৰি কৰে বিৰালৰ আগে।। | (i) | শঙ্কৰদেৱ |
| (b) | তুমি কাৰ্য্য কাৰণ সমস্তে চৰাচৰ।<br>সুৱৰ্ণ কুণ্ডলে যেন নাহিকে অন্তৰ।। | (ii) | পীতাম্বৰ |
| (c) | বান্ধিলা চিকুৰ দিয়া মুকুতাৰ জালি।<br>অভিনৱ মেঘে যেন পড়িলা বিজুলী।। | (iii) | মাধৱ কন্দলি |
| (d) | আলো মাই গালি তুমি নপাৰিয়ো কাৰে।<br>যত অপমান মোৰ দিয়া আছা বাৰে বাৰে।। | (iv) | মাধৱদেৱ |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (1) | (iii) | (i) | (ii) | (iv) |
| (2) | (iii) | (ii) | (iv) | (i) |
| (3) | (i) | (ii) | (iii) | (iv) |
| (4) | (ii) | (i) | (iv) | (iii) |

61. ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

| | | | |
|---|---|---|---|
| (a) | কাব্য শোভাকৰণ ধৰ্মালংকৰাণ প্ৰচক্ষতে | (i) | বামন |
| (b) | বাক্যং ৰসাত্মকং কাব্যম্ | (ii) | বিশ্বনাথ কবিৰাজ |
| (c) | ৰীতিৰাত্মা কাব্যস্য | (iii) | দণ্ডী |
| (d) | শব্দার্থৌ সহিতৌ কাব্যম্ | (iv) | ভামহ |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (1) | (i) | (ii) | (iii) | (iv) |
| (2) | (iii) | (iv) | (ii) | (i) |
| (3) | (ii) | (iii) | (i) | (iv) |
| (4) | (iii) | (ii) | (i) | (iv) |



www.examrace.com

62. ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

| | | | |
|---|---|---|---|
| (a) | আহিব-<u>জানো</u> | (i) | প্ৰতিধ্বন্যাত্মক শব্দ |
| (b) | লাজকু<u>ৰীয়া</u> | (ii) | ক্ৰিয়াবাচক পৰসৰ্গ |
| (c) | তোমাৰ <u>পৰা হে</u> | (iii) | তদ্ধিত প্ৰত্যয় |
| (d) | জা-জলপান | (iv) | জোৰবাচকতা |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (1) | (ii) | (iii) | (iv) | (i) |
| (2) | (i) | (iv) | (ii) | (iii) |
| (3) | (ii) | (i) | (iv) | (iii) |
| (4) | (iv) | (i) | (iii) | (ii) |

63. ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

| | | | |
|---|---|---|---|
| (a) | সৰ্বনাম | (i) | কুন্দত কটা |
| (b) | বিশেষণ | (ii) | তামোল <u>ছালি</u> |
| (c) | খণ্ডবাক্য | (iii) | <u>কোনোবা</u> এজন |
| (d) | নিৰ্দিষ্টবাচকতা | (iv) | এনেকুৱা |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (1) | (iii) | (i) | (ii) | (iv) |
| (2) | (ii) | (iii) | (i) | (iv) |
| (3) | (iii) | (iv) | (i) | (ii) |
| (4) | (iv) | (i) | (ii) | (iii) |



www.examrace.com

64. **'ক' স্তম্ভ** **'খ' স্তম্ভ**

| | 'ক' স্তম্ভ | | 'খ' স্তম্ভ |
|---|---|---|---|
| (a) | বাণীকান্ত কাকতি | (i) | ৰাম্না বৰুৱা |
| (b) | ৰজনীকান্ত বৰদলৈ | (ii) | শীলভদ্র |
| (c) | বিৰিঞ্চি কুমাৰ বৰুৱা | (iii) | ভবানন্দ পাঠক |
| (d) | ৰেৱতীমোহন দত্তচৌধুৰী | (iv) | ভোলাই শৰ্মা |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (1) | (i) | (iv) | (iii) | (ii) |
| (2) | (iii) | (ii) | (iv) | (i) |
| (3) | (iv) | (iii) | (ii) | (i) |
| (4) | (iii) | (iv) | (i) | (ii) |

65. **'ক' স্তম্ভ** **'খ' স্তম্ভ**

| | 'ক' স্তম্ভ | | 'খ' স্তম্ভ |
|---|---|---|---|
| (a) | চীন চাই আহিলো | (i) | হেমাঙ্গ বিশ্বাস |
| (b) | মহাচীনৰ দিনলিপি | (ii) | লক্ষ্মীনন্দন বৰা |
| (c) | চীনক চিনিবলৈ টান | (iii) | সুনীল কুমাৰ শইকীয়া |
| (d) | আকৌ চীন চাই আহিলোঁ | (iv) | নগেন শইকীয়া |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (1) | (iii) | (iv) | (ii) | (i) |
| (2) | (ii) | (i) | (iv) | (iii) |
| (3) | (iii) | (iv) | (i) | (ii) |
| (4) | (i) | (iii) | (iv) | (ii) |



www.examrace.com

66. 'ক' স্তম্ভ 'খ' স্তম্ভ

| | 'ক' স্তম্ভ | | 'খ' স্তম্ভ |
|---|---|---|---|
| (a) | The origin and Development of the Bengali Language. | (i) | গোলোকচন্দ্ৰ গোস্বামী |
| (b) | A Study of Phonology and Vocabulary of the Assamese Language. | (ii) | সুনীতিকুমাৰ চেটাৰ্জী |
| (c) | Structure of Assamese | (iii) | বিশ্বেশ্বৰ হাজৰিকা |
| (d) | Assamese Language : Origin and Development | (iv) | দেবানন্দ ভৰালী |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (1) | (iv) | (ii) | (iii) | (i) |
| (2) | (ii) | (iv) | (i) | (iii) |
| (3) | (ii) | (iii) | (i) | (iv) |
| (4) | (i) | (iv) | (iii) | (ii) |

67. 'ক' স্তম্ভ 'খ' স্তম্ভ

| | 'ক' স্তম্ভ | | 'খ' স্তম্ভ |
|---|---|---|---|
| (a) | ব্লুমফিল্ড | (i) | Language |
| (b) | নোয়ম চমস্কি | (ii) | Synthetic Structure |
| (c) | গ্ৰীয়াৰ্ছন | (iii) | Morphology |
| (d) | নিদা | (iv) | Linguistic Survey of India |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (1) | (i) | (ii) | (iv) | (iii) |
| (2) | (i) | (iii) | (iv) | (ii) |
| (3) | (ii) | (i) | (iii) | (iv) |
| (4) | (iv) | (ii) | (i) | (iii) |



www.examrace.com

68. **'ক' স্তম্ভ** **'খ' স্তম্ভ**

| | | | |
|---|---|---|---|
| (a) | Reception | (i) | অনুকৰণ |
| (b) | Survival | (ii) | অনুকূলন |
| (c) | Adaptation | (iii) | সংগ্ৰহণ |
| (d) | Imitation | (iv) | বৰ্তন |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (1) | (ii) | (iv) | (iii) | (i) |
| (2) | (iii) | (iv) | (ii) | (i) |
| (3) | (i) | (iv) | (iii) | (ii) |
| (4) | (iii) | (i) | (iv) | (ii) |

69. **'ক' স্তম্ভ** **'খ' স্তম্ভ**

| | | | |
|---|---|---|---|
| (a) | মহেশ্বৰ নেওগ | (i) | ৰংমনৰ কথা |
| (b) | অতুলচন্দ্ৰ হাজৰিকা | (ii) | এশুৱাৰছনৰ সাধু |
| (c) | বেণুধৰ শৰ্মা | (iii) | ডাৱৰৰ সিপাৰে ধুনীয়া দেশ |
| (d) | লীলা গগৈ | (iv) | ৰাংপতা |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (1) | (iii) | (i) | (iv) | (ii) |
| (2) | (ii) | (i) | (iii) | (iv) |
| (3) | (iii) | (ii) | (iv) | (i) |
| (4) | (i) | (ii) | (iii) | (iv) |



www.examrace.com

70. **‘ক’ স্তম্ভ** **‘খ’ স্তম্ভ**

| | | | |
|---|---|---|---|
| (a) | আহিনী | (i) | মামৰে ধৰা তৰোৱাল |
| (b) | ডিমি | (ii) | কায়কল্প |
| (c) | নয়না | (iii) | মৃত্যুঞ্জয় |
| (d) | নাৰায়ণী | (iv) | জীৱনৰ বাটত |

| | **(a)** | **(b)** | **(c)** | **(d)** |
|---|---|---|---|---|
| (1) | (iv) | (iii) | (ii) | (i) |
| (2) | (i) | (ii) | (iii) | (iv) |
| (3) | (iv) | (ii) | (i) | (iii) |
| (4) | (ii) | (i) | (iv) | (iii) |

তলত দিয়া কথাখিনি ভালদৰে পঢ়ি **71** ৰ পৰা **75** লৈকে সংলগ্ন প্ৰশ্নসমূহৰ **শুদ্ধ** উত্তৰ (1), (2), (3) আৰু (4) বিকল্পৰ মাজৰ পৰা বাছি উলিওৱা।

ঊনবিংশ শতাব্দীৰ প্ৰথম ভাগত ইংলেণ্ডত ৱৰ্ডছ্‌ৱৰ্থ, স্কট্, শ্বেলী, কোলেৰিজ আদিৰ কাব্য-উপন্যাস সমালোচনাৰ ভিতৰেদি এক নৱন্যাসমূলক ৰোমাণ্টিক যুগৰ অৱতাৰণা হৈছিল। ইয়াক ৰোমাণ্টিক ৰিভাইভেল্ বা নৱন্যাসৰ পুনৰ্জাগৰণ বোলা হয়, কাৰণ ইয়াৰ আগতে ইংৰাজী সাহিত্যত শ্বেক্‌ছ্‌পিয়েৰৰ যুগটোৱেই প্ৰথম ৰোমাণ্টিক সাহিত্যৰ কাল। কিন্তু ঊনবিংশ শতিকাৰ পুৰতী নিশা অসমত যি সাহিত্য প্ৰৱৰ্তিত হ’ল, তাৰ পূৰ্ববৰ্তী অভিব্যক্তি অসমীয়া সাহিত্যত নাই। এইখিনিতেই ইংৰাজী আৰু তাৰ অনুকৰণৰ অসমীয়া ৰোমাণ্টিকসকলৰ সৰ্বাতো মন্তব্য পাৰ্থক্য। আমাৰ ৰোমাণ্টিচিজ্‌ম্ এক নতুন আমদানি, আনফালে আকৌ উদ্দেশ্য আৰু অভিব্যক্তিত ই অসমৰ প্ৰাচীন কাব্য-সাহিত্যৰ সম্পূৰ্ণ বিৰোধী; সিহঁতৰ মাজৰ যোগ-সূত্ৰ অতি ক্ষীণ ; নাই বুলি ক’লেও হয়। বৰ্তমান অসমীয়া সাহিত্য পছিমৰ পৰশতেই মাত্ৰ সঞ্জীৱিত হোৱা পুৰণি অসমীয়া সাহিত্যৰ নতুন সংস্কৰণ নহয়। এই বিষয়ত আন্দোলনটো ভাৰতীয় পুনৰ্জাগৰণতকৈ ইউৰোপীয় নৱজাগৰণৰ লগতহে মিলে, কাৰণ ইউৰোপীয় মৃত টিউটনিক সংস্কৃতি আৰু মৃত লেটিন্ গ্ৰীক্ ভাষাৰ ওপৰত প্ৰতিষ্ঠিত। ভাৰতীয় জাগৰণ নিজৰ অৰ্ধ-জীৱিত সংস্কৃতিৰ পুনঃপ্ৰতিষ্ঠা মাথোন আৰু অলপ দকৈ চালে, আধুনিক সাহিত্যিকসকলৰ মুখ্য কেইজন এৰি বৈচিত্ৰ্যবৰ্জিত বাকীসকলৰ সাহিত্যচৰ্চা আৰু জাতীয় জীৱনৰ মাজত অসহযোগ। অৱশ্যে ইয়াৰ বাবে অসমীয়া ৰোমাণ্টিক আলোড়নৰ সজ প্ৰচেষ্টাই দায়ী। সকলো ৰোমাণ্টিক সাহিত্যতে স্বাধীন বা মুকলিমূৰীয়া মনোভাৱ এটি ঘাই লক্ষণ। পুৰণি অসমীয়া সাহিত্যত ধৰ্মভাৱৰ আধ্যাত্মিকতা আৰু প্ৰকাশৰ সংযমশীলতাৰ ঠাইত লিৰিক্ কাব্যৰ ঐহিক স্পৰ্শ আৰু প্ৰকাশ-ভঙ্গিৰ স্বাধীনতা আমাৰ সাহিত্যত নতুন বস্তু। ইয়াত আমাৰ চহুৱা কাব্য বনগীত আদিৰ প্ৰভাৱ বিকশিত হৈছে বুলি কোৱা টান - নিজৰ ধৰ্মমূলক আৰু এই প্ৰেম-অনুৰাগাপন্ন লোক-কাব্য উভয়কে আমাৰ ৰোমাণ্টিকসকলে তেওঁলোকৰ অভিনৱ আন্দোলনৰ সহায়করূপে লোৱা নাছিল। আধুনিক কাব্যত শঙ্কৰ-মাধৱৰ প্ৰভাৱ প্ৰায় সম্পূৰ্ণ শূন্য; বনগীতৰ বেঁকা পৰশ এটা ভাবাৱেগৰ আতিশয্যস্বৰূপে নোহোৱা নহয় - সি অৱশ্যে সম্পূৰ্ণভাৱে পছিমীয়া ৰহণো হ’ব পাৰে।



www.examrace.com

আধুনিক সাহিত্যৰ এই প্ৰথম আলোড়ন মূলতঃ কাব্যিক কিন্তু তাৰ ক্ৰিয়া-প্ৰক্ৰিয়াবিলাক অধিক ক্ষেত্ৰ-ব্যাপক। ইংৰাজী অনুৰাগৰ কবিতাৰ পৰশত আমাৰ কবিসকলে প্ৰকাশভঙ্গিৰ সকলো বিলাসেৰে প্ৰেম-অনুৰাগৰ মুড্ আৰু ছেণ্টিমেণ্ট্, ভাব আৰু অনুভূতিৰে অভিনৱ লিৰিক্ বা খণ্ডকবিতা ৰচনা কৰিলে। চন্দ্ৰকুমাৰ আগৰৱালাৰ নিজস্ব গাম্ভীৰ্য-ভূষিত ছন্দ-সঙ্গীতত গণতান্ত্ৰিক সুৰ বাজি উঠিল। অৱশ্যে ৱৰ্ড্‌ছ্‌ৱৰ্থ-শ্বেলী-বাইৰণৰ কাব্যত ফৰাচী বিপ্লৱ আৰু ৰাজনৈতিক চেতনাৰ যি উগ্ৰ-অনুগ্ৰ প্ৰভাৱ দেখা যায়, তেনে ৰাজনৈতিক মনোভাৱ আমাৰ এই সাহিত্যিকসকলত স্পষ্টভাৱে দেখিবলৈ পোৱা নাযায়। 'অৰুণোদই' যুগৰেপৰা কলম চলোৱা কমলাকান্ত ভট্টাচাৰ্যৰ 'চিন্তানল'ত আৰু চন্দ্ৰকুমাৰ আগৰৱালাৰ 'বীণ-বৰাগী'ত মাত্ৰ ইয়াৰ দূৰণীয়া সুৰ এটি শুনি। অসমীয়া জাতীয় সাধুকথা আৰু লৌকিক গীতি-কবিতাৰ বহল ক্ষেত্ৰত পাণ্ডিত্যপূৰ্ণ অনুসন্ধান নচলিলেও, তেনে লোক-কবিতাৰ প্ৰভাৱ কেইবাজনো কবিৰ লিৰিকত ধৰা পৰে। এই প্ৰসঙ্গত ৱাল্টাৰ্ স্কটৰ 'Lay of the Last Minstrel'-অৰ উল্লেখ কৰিব লাগিব। ঠিক স্কটৰ বুৰঞ্জীমূলক উপন্যাসসমূহত স্কট্‌লেণ্ডৰ পুৰণি গড়-দুৰ্গ আদি কাল্পনিক চৰিত্ৰ কিছুমানেৰে সঞ্জীৱিত হোৱাৰ দৰে ৰজনীকান্ত বৰদলৈৰ কেয়োখনি উপন্যাসেই মানৰ দিনৰ অসমৰ বুৰঞ্জীৰ স্মৃতিব্যঞ্জক নানা চিত্ৰত নৱন্যাসৰ পোহৰ পেলালে।

**71.** ৰোমাণ্টিক ৰিভাইভেল বা নৱন্যাসৰ পুনৰ্জাগৰণ অভিধাটো কি প্ৰসংগত ব্যৱহৃত হৈছে ?

(1) ইংৰাজী সাহিত্যত শ্যেক্‌ছ্‌পীয়েৰৰ যুগটোহে ৰোমাণ্টিকতাৰ অভ্যুদয়ৰ কাল। গতিকে পৰৱৰ্তী স্তৰৰ ৰোমাণ্টিক সাহিত্যৰ কালছোৱা পুনৰ্জাগৰণৰ কাল।

(2) ইংৰাজী সাহিত্যত শ্যেক্‌ছ্‌পীয়েৰৰ যুগটো যিহেতু ৰোমাণ্টিক যুগ হিচাপে চিহ্নিত, সেয়েহে এই যুগটোকে ৰোমাণ্টিক ৰিভাইভেল বা নৱন্যাসৰ পুনৰ্জাগৰণ বুলি কোৱা হৈছে।

(3) ইংলেণ্ডত ঊনবিংশ শতাব্দীৰ সময়ছোৱাক ৰোমাণ্টিক ৰিভাইভেল বা নৱন্যাসৰ পুনৰ্জাগৰণৰ যুগ বুলি অভিহিত কৰা হৈছে।

(4) ইংলেণ্ডত ঊনবিংশ শতাব্দীত ৰচিত কাব্য-উপন্যাসৰ যুগটোক ৰোমাণ্টিক ৰিভাইভেল বা নৱন্যাসৰ পুনৰ্জাগৰণ বুলি অভিহিত কৰা হৈছে।

**72.** বৰ্তমান অসমীয়া সাহিত্য পছিমৰ পৰশতেই মাত্ৰ সঞ্জীৱিত হোৱা পুৰণি অসমীয়া সাহিত্যৰ নতুন সংস্কৰণ নহয় বুলি কিয় কোৱা হৈছে ?

(1) প্ৰাচীন অসমীয়া সাহিত্যৰ ছাঁ লৈ নতুন ৰূপত সাহিত্যই প্ৰতিষ্ঠা লাভ কৰিছে।

(2) আধুনিক অসমীয়া সাহিত্যত পশ্চিমীয়া দৃষ্টিভঙ্গীৰ প্ৰভাৱ পৰিছে।

(3) আধুনিক অসমীয়া সাহিত্যৰ অভিব্যক্তিৰে অসমীয়া ৰোমাণ্টিক সাহিত্যই প্ৰতিষ্ঠা লাভ কৰিছে।

(4) আধুনিক অসমীয়া সাহিত্যত পশ্চিমৰ পৰশ স্পষ্ট নহয়।


www.examrace.com

**73.** পাঠটিত 'আমাৰ সাহিত্যৰ নতুন বস্তু' -- এই উক্তিটো কি প্ৰসংগত অৱতাৰণা কৰা হৈছে ?

(1) পুৰণি অসমীয়া সাহিত্যত ধৰ্মভাৱৰ আধ্যাত্মিকতা আৰু প্ৰকাশৰ সংযমশীলতাৰ ঠাইত গীতিকাব্যত ঐহিক স্পৰ্শ আৰু প্ৰকাশভংগীৰ স্বাধীনতা প্ৰকাশৰ প্ৰসংগত।

(2) পুৰণি অসমীয়া সাহিত্যত ধৰ্মভাৱৰ আধ্যাত্মিকতা আৰু প্ৰকাশৰ সংযমশীলতা লিৰিক কাব্যত প্ৰকাশ পোৱাৰ উপৰি ঐহিক স্পৰ্শ আৰু প্ৰকাশভংগীৰ স্বাধীনতা প্ৰকাশৰ প্ৰসংগত।

(3) লিৰিক কাব্যত পুৰণি অসমীয়া সাহিত্যৰ ধৰ্মভাৱৰ আধ্যাত্মিকতা আৰু প্ৰকাশৰ সংযমশীল প্ৰভাৱৰ প্ৰসংগত।

(4) পুৰণি অসমীয়া সাহিত্যত লিৰিক কাব্যৰ ঐহিক স্পৰ্শ আৰু প্ৰকাশভংগীৰ প্ৰভাৱৰ প্ৰসংগত।

**74.** জাতীয় সাধুকথা আৰু লৌকিক গীতিকবিতাৰ ক্ষেত্ৰখনৰ প্ৰভাৱ ক'ত পৰিছে ?

(1) জাতীয় সাধুকথা আৰু লৌকিক গীতিকবিতাৰ ক্ষেত্ৰখনৰ প্ৰভাৱ অসমীয়া গীতি সাহিত্যত পৰিছে।

(2) জাতীয় সাধুকথা আৰু লৌকিক গীতিকবিতাৰ প্ৰভাৱ ৰোমাণ্টিক কবিতাত পৰিছে।

(3) জাতীয় সাধুকথা আৰু লৌকিক গীতিকবিতাৰ প্ৰভাৱ ইংৰাজী কবিতাত পৰিছে।

(4) জাতীয় সাধুকথা আৰু লৌকিক গীতিকবিতাৰ ক্ষেত্ৰখনত ৱাল্টাৰ স্কটৰ প্ৰভাৱ পৰিছে।

**75.** বনগীতৰ বেঁকা পৰশ এটা ভাৱাবেগৰ আতিশয্যৰূপে ক'ত নোহোৱা নহয় বুলি কোৱা হৈছে ?

(1) আধুনিক লিৰিক কাব্যত

(2) অসমীয়া গীতিকাব্যত

(3) প্ৰেম অনুৰাগমূলক লোককাব্যত

(4) আধুনিক অসমীয়া কাব্যত

- o 0 o -



www.examrace.com

Space For Rough Work

ExamRace



www.examrace.com

**Space For Rough Work**

Exam Race



www.examrace.com